Important
14/09/2021

**GOVERNMENT OF ASSAM**
**HIGHER EDUCATION DEPARTMENT**
**DISPUR, GUWAHATI-6**

**ORDERS BY THE GOVERNOR**

**Dated Dispur the 13th September, 2021**

**NOTIFICATION**

**No.AHE.354/2021/11 :** In continuation of this Department's OM issued vide No.AHE.354/2021/8 dtd.06 /09/2021 and No.AHE.354/2021/9 dtd.10/09/2021, the Governor of Assam is pleased to notify that -

1. As an alternative to the Income Certificate issued by the Circle Officer as stated in the OM, the Head of the Institution from where a student has passed out may also issue an Income Certificate for the purpose of the Fee Waiver Scheme and the same shall be accepted by the Institution admitting the student.

OR

2. The Head of an Institution where a student is seeking admission may admit a student under Fee Waiver Scheme if he/she is satisfied that the annual income of the parents of the student is below Rs.2.00 lakh per annum, by recording their satisfaction and issuing an Income Certificate in favour of the student for this purpose.

OR

3. The student or his/her parents may submit a Notary Affidavit in respect of his/her Annual Income for availing the Fee Waiver Scheme which shall be accepted by the Institution.
4. The Income Certificate so submitted by the candidate will have to be verified by Competent Authority within one year and action as per law will be taken against anyone where submission of false Certificate is established.
5. The College Authority may give admission to the students without examining the original marksheet. However, the admitted students must produce their original marksheet on or before 15th October/2021, otherwise, the admission will be cancelled.

BKalyan
(Dr. B Kalyan Chakravarthy, IAS)
Principal Secretary to the Govt. of Assam
Higher Education Department

Memo No. AHE. 354/2021/11 -A Dated Dispur, the 13th September,2021

Copy forwarded for information and necessary action to :

1. The P.P.S. to the Hon'ble Chief Minister, Assam for kind appraisal of the Hon'ble Chief Minister.
2. The P.S. to the Hon'ble Minister, Education, Assam for kind appraisal of the Hon'ble Minister.
3. The P.S. to the Principal Secretary to the Govt. of Assam, Higher Education Department for kind appraisal of the Principal Secretary.
4. The P.S. to the Commissioner & Secretary to the Govt. of Assam, Finance Department for kind appraisal of the Commissioner & Secretary.
5. The Director of Higher Education, Assam for necessary action. He will communicate

# অসম চৰকাৰৰ বিনামূলীয়া নামভৰ্তি আঁচনিৰ উল্লেখনীয় দিশসমূহ

(চিঠি নং ঃ AHE. 639/2018/11 তাং ঃ দিছপুৰ, 29th May, 2019)

**ক) আঁচনিখন কাৰ বাবে প্ৰযোজ্য ঃ**

(১) এই আঁচনিখনৰ উদ্দেশ্য হৈছে অসমৰ দৰিদ্ৰ পৰিয়ালৰ ছাত্ৰ-ছাত্ৰীসকলক চিনাক্ত কৰা আৰু তেওঁলোকক উচ্চ শিক্ষাৰ সুবিধাসমূহ অৰ্জনত সহায় কৰা।

(২) এই আঁচনিখন উচ্চতৰ মাধ্যমিক আৰু স্নাতক পৰ্যায়ৰ প্ৰথম বৰ্ষত নামভৰ্তি কৰা ছাত্ৰ-ছাত্ৰীসকলৰ বাবে প্ৰযোজ্য হ'ব।

(৩) আঁচনিখন উচ্চতৰ মাধ্যমিক আৰু স্নাতক পৰ্যায়ৰ দ্বিতীয় আৰু তৃতীয় বৰ্ষৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবেও প্ৰযোজ্য হ'ব।

(৪) এই আঁচনিখনৰ সুবিধাসমূহেৰে উপকৃত হোৱা ছাত্ৰ-ছাত্ৰীসকলে মহাবিদ্যালয়ৰ আলোচনী মাচুল, খেল-ধেমালিৰ মাচুল আৰু মহাবিদ্যালয় সপ্তাহৰ মাচুল আদায় দিব লাগিব।

**(খ) যোগ্যতা ঃ**

(১) যিসকল ছাত্ৰ-ছাত্ৰীৰ অভিভাৱকৰ বছৰেকীয়া আয় সকলো উৎসৰ পৰা ২ (দুই) লাখতকৈ অধিক নহয়, তেওঁলোকেহে এই আঁচনিৰ সুবিধা গ্ৰহণৰ উপযুক্ত।

(২) কোনো ছাত্ৰ-ছাত্ৰীৰ মাক বা দেউতাকৰ যিকোনো এজন ৰাজ্য বা কেন্দ্ৰীয় চৰকাৰ বা চৰকাৰৰ অধীনস্থ নিগম-নিকায়ৰ কৰ্মচাৰী হ'লে, তেনে ছাত্ৰ-ছাত্ৰীয়ে এই আঁচনিৰ সুবিধা পোৱাৰ যোগ্য নহ'ব।

(৩) এই আঁচনি কেৱল নিয়মীয়া ছাত্ৰ-ছাত্ৰীসকলৰ বাবেহে, যিসকলৰ শ্ৰেণী উপস্থিতি নুন্যতম ৭৫ শতাংশ থাকে। লগতে তেনে ছাত্ৰ-ছাত্ৰীৰ পূৰ্বৰ পৰীক্ষাত কোনো Back বা Arrear থাকিব নালাগিব।

**(গ) আয়ৰ প্ৰমাণ-পত্ৰ/জমা দিবলগীয়া নথি-পত্ৰ ঃ**

(১) কেৱল স্থানীয় ৰাজহ চক্ৰ বিষয়াই প্ৰদান কৰা এখন আয়ৰ প্ৰমাণ-পত্ৰ।

(২) পিতৃ বা মাতৃৰ কোনো এগৰাকীয়ে ৰাজ্য বা কেন্দ্ৰীয় চৰকাৰৰ কৰ্মচাৰী নহয় বুলি ছাত্ৰ বা ছাত্ৰীগৰাকীয়ে দিয়া স্বীকাৰোক্তি (Declaration)।

(৩) ছাত্ৰ বা ছাত্ৰীগৰাকীয়ে নিজ হাতে গছপুলি ৰোপণ কৰি থকা দুখন ফটো। দ্বিতীয় বা তৃতীয় বৰ্ষৰ ছাত্ৰ-ছাত্ৰীয়ে প্ৰথম বৰ্ষত ৰোপণ কৰা গছপুলিৰ ফটোহে দিব লাগিব। উল্লেখযোগ্য যে, ছাত্ৰ-ছাত্ৰীয়ে ৰোপণ কৰা গছ পুলিডাল তৃতীয় বৰ্ষলৈকে লালন-পালন কৰি ডাঙৰ-দীঘল কৰিব লাগিব।

বিঃ দ্ৰঃ

১) চৰকাৰী নিৰ্দেশনা অনুসৰি নামভৰ্তি সমিতিয়ে পৰিয়ালৰ আয়ৰ সন্দৰ্ভত কোনো সন্দেহ থাকিলে তদন্ত চলাব পাৰে। এনে ক্ষেত্ৰত সমিতিৰ পৰ্যবেক্ষণত অভিভাৱকৰ আয় ২ (দুই) লাখতকৈ অধিক বুলি ধৰা পৰিলে, উক্ত সমিতিয়ে নামভৰ্তি বাতিল কৰাৰ পৰামৰ্শ দিব পাৰে অথবা নামভৰ্তিৰ সম্পূৰ্ণ মাচুল আদায় দিব লাগিব।

(২) মহাবিদ্যালয় কৰ্তৃপক্ষই ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা গছপুলি ৰোপণ কৰাৰ সত্যতা প্ৰমাণৰ বাবে এখন তদাৰক কমিটি গঠন কৰি দিব।

**ড° শ্বেখ ফখৰুদ্দিন আলী আহমেদ**
অধ্যক্ষ
মহাত্মা গান্ধী মহাবিদ্যালয়
চলন্তাপাৰা